# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-03-2026
**Time :** 1100 Hrs

***Assamese Morning Bulletin***
------------------------------

২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ জৰিয়তে অসম অসামৰিক সেৱা আৰু অন্যান্য সংলগ্ন সেৱাৰ বাবে নিৰ্বাচিত ২৮৪ গৰাকী আৰু ফৰেণচিক বিজ্ঞান সঞ্চালকালয়ত বৈজ্ঞানিক বিষয়া হিচাপে নিৰ্বাচিত পাঁচগৰাকী প্ৰাৰ্থীক আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। তদুপৰি স্বাগত সতীৰ্থ প'ৰ্টেলৰ অধীনত পাৰস্পৰিক বদলিকৰণ পত্ৰও আজি প্ৰদান কৰা হ'ব। এই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী দামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। কালি ফে'চবুক লাইভযোগে এই বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে নৱনিযুক্ত বিষয়াসকলে যাতে নিৰ্বাচনৰ অভিজ্ঞতা লাভ কৰিব পাৰে, তাৰপ্ৰতি লক্ষ্য ৰাখি তেওঁলোকক সোনকালে নিযুক্তি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ১৫ মাৰ্চৰ পূৰ্বে সৰ্বশিক্ষাৰ পৰা নিয়মীয়াকৈ নিযুক্তি লাভ কৰিবলগীয়া শিক্ষকসকলৰ নিযুক্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট

আজিৰ অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিত্তমন্ত্ৰী অজন্তা নেওগ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, কৃষিমন্ত্ৰী অতুল বৰা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত আৰু পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহনেও অংশগ্ৰহণ কৰিব।

০০০০০০০

ৰাজ্যৰ ৰে'লযাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল মন্ত্ৰালয়ে উত্তৰ পূব সীমান্ত ৰে'লৱেৰ অধীনত বিভিন্ন ৰে'লৰ বাবে কেইবাটাও ষ্টেচনত নতুনকৈ ৰে'ল ৰখাবলৈ পৰীক্ষামূলকভাৱে অনুমতি প্ৰদান কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা দিল্লী-কামাখ্যা ব্ৰহ্মপুত্ৰ মেইল টিহু ৰে'ল ষ্টেচনত ৰ'ব। একেদৰে কন্যাকুমাৰী-ডিব্ৰুগড় বিবেক এক্সপ্ৰেছ অভয়াপুৰী ষ্টেচনত, নিউ জলপাইগুৰি-গুৱাহাটী বন্দে ভাৰত এক্সপ্ৰেছ বৰপেটা ৰোড ষ্টেচনত, কামাখ্যা-আনন্দবিহাৰ নৰ্থ ইষ্ট এক্সপ্ৰেছৰ লগতে তাম্বাৰম-শিলঘাট টাউন নগাঁও এক্সপ্ৰেছ বিজনী ষ্টেচনত ৰখোৱা হ'ব। কলকাতা-চিৰাং এক্সপ্ৰেছ চাপৰ ষ্টেচনত, ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ ডিফুত, নিউ তিনিচুকীয়া-অমৃতচৰ এক্সপ্ৰেছ দুলীয়াজানত, নিউ দিল্লী-গুৱাহাটী ৰাজধানী এক্সপ্ৰেছ ফৰকাটিঙত ৰ'ব। এই পদক্ষেপে ষ্টেচনকেইটাৰ সমীপৰ অঞ্চলৰসমূহৰ জনতাক বিশেষভাৱে উপকৃত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

০০০০০০

ভৰলুৰ উৰণ সেতুখন আজি উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰী ড০হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এইকথা ঘোষণা কৰে। তেওঁ লগতে উৰণ সেতুখন অসম গণ পৰিষদ দলৰ নেতা প্ৰয়াত দীনেশ গোস্বামীৰ নামত উৎসৰ্গা কৰা হ'ব বুলি জানিবলৈ দিয়ে। ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মাণ কৰা উদ্যানৰ আৰু এটা অংশ আজি মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। এই সেতুখনে মাছখোৱা-শান্তিপুৰৰ লগতে শ্লুইজগে'টক সংযোগ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি শৰাইঘাট ৰণৰ স্মৃতিসৌধ উদ্বোধন কৰিব আৰু পাণবজাৰত ব্ৰহ্মপুত্ৰ নদীপাৰ উদ্যান সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰিব। সন্ধিয়া ৬ বজাত পাণবজাৰত আয়োজিত এই অনুষ্ঠনত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। ইয়াৰ আগেয়ে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত বিয়লি চাৰে চাৰি বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বন বিভাগৰ বাবে ১৪৩খন নতুন বাহন মুকলি কৰিব। অনুষ্ঠানত বন, পৰিবেশ আৰু জলবায়ু পৰিবৰ্তন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীও উপস্থিত থকাৰ কথা।

০০০০০০০

তিনিগৰাকী সদস্যৰ অন্তৰ্ভুক্তিৰে হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিটিচি কাৰ্যবাহী পৰিষদৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। সম্প্ৰতি পৰিষদত ১৪ গৰাকী সদস্য আছে। নতুনকৈ গোৰেশ্বৰ পৰিষদীয় সমষ্টিৰ মহেশ্বৰ বসুমতাৰী, নাগ্ৰীজুলিৰ লক্ষী দাস আৰু মনোনীত পৰিষদীয় সদস্য কৰ্মেশ্বৰ ৰয়ৰ অন্তৰ্ভুক্তিৰে পৰিষদৰ সদস্য সংখ্যা ১৭লৈ বৃদ্ধি কৰা হ'ব। তিনিও গৰাকী সদস্যই অহা ৬ বা ৭ মাৰ্চত কোকৰাঝাৰত শপতগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকা নিউজিলেণ্ডৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত কাইলৈ মুম্বাইত ভাৰত, ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। অহা ৮ মাৰ্চত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০০০

বিহালীৰ জিনজিয়া আৰক্ষী থানাৰ অন্তৰ্গত খেৰবাৰীত হোৱা এটা দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। তীব্ৰবেগী এখন চাৰিচকীয়া বাহনে মটৰচাইকেল আৰোহী দুজনক খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। বৰ্তমানলৈ নিহত লোককেইজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। ঘটনা সন্দৰ্ভত জিনজিয়া আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে।

০০০০০০

**সমাপ্ত**